# বিদেশ মন্ত্ৰীৰ থাইলেন্ড ভ্ৰমণ

২৭ জুন ২০১৫

ভাৰতৰ বিদেশমন্ত্ৰী (ইএএম)শ্ৰী মতী সুষমা স্বৰাজে সপ্তম ভাৰত-থাইলেণ্ড যুটিয়া কমিছনৰ বৈঠকত (জেচিএম)যুটিয়া পৌৰহিত্য কৰাৰ বাবে আৰু বেংককত অনুষ্ঠিত ষষ্ঠদশ বিশ্ব সংস্কৃত সন্মিলনত অংশ গ্ৰহণ কৰিবলৈ ২৭-২৯ জুন ২০১৫ তাৰিখে থাইলেণ্ড ভ্ৰমণ কৰে ।

এই ভ্ৰমণ কালত বিদেশমন্ত্ৰী গৰাকীয়ে থাই নেতৃত্বৰ সৈতে সাক্ষাত কৰিব বুলি আশা কৰা হৈছে আৰু ২৯ জুন ২০১৫ থাইলেণ্ডৰ উপপ্ৰধানমন্ত্ৰী তথা বিদেশমন্ত্ৰী জেনেৰেল তানাচাক পাতিমাপ্ৰাগণ-ৰ সৈতে জেচিএমৰ যুটিয়া পৌৰহিত্য কৰিব ।জেচিএমত দ্বিপাক্ষীক সম্পৰ্কৰ বিষয়ে সম্পূৰ্ণভাৱে পৰ্যালোচনা কৰা হয় ।

বিদেশমন্ত্ৰীয়ে বিভিন্ন ভাৰতীয় সমিতি,বণিক প্ৰতিনিধি আৰু শিক্ষাবিদ্ সকলেৰ সৈতে আলোচনা কৰিব ।উভয়দেশে নতুন চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ পাচত এইটোৱেই প্ৰথম উচ্চস্তৰীয় দ্বিপাক্ষীক ভ্ৰমণ ।

২৮ জুন ২০১৫ বিশ্ব সংস্কৃত সন্মিলনৰ উদ্বোধনি অনুষ্ঠানত বিদেশমন্ত্ৰী বিশেষ সন্মানীয় অতিথি পদাধিকাৰ ৬০ খন দেশে আগত ৬০০ সংস্কৃত ভাষাৰ শিক্ষাবিদ্ সকলে সম্বোধন কৰিব ।বিদেশমন্ত্ৰী মহামান্য যুৱৰাণী মহা চকৰি চিৰিনধ্ৰন-ৰ সৈতে সাক্ষাত কৰিব যি বেংকক সন্মিলনৰ পৃষ্ঠপোষক ।

ভাৰতৰ সৈতে আছিয়ান ষ্ট্ৰ্যাটেজিক সম্পৰ্কৰ ক্ষেত্ৰত থাইলেণ্ডৰ সৈতে ভাৰতৰ সম্বন্ধ অত্যন্ত গুৰুত্বপূৰ্ণ আৰু এক অবিচ্ছেদ্য অংগ । ভাৰতৰ “এক্ট ইষ্ট” নীতি আৰু থাইলেণ্ডৰ “লুক ৱেষ্ট” নীতি ইটোৰ লগত সিটোৰ পৰিপূৰক ।এই বিষয়টোৱেই দুয়োদেশকে দুয়োদেশৰ সৈতে নিকট ৰাখিছে ।ভাৰত আৰু থাইলেণ্ডৰ দ্বিপাক্ষীক সম্পৰ্কৰ মাজত গতি সঞ্চাৰ কৰাৰ বাবে নিয়মিতভাৱে দ্বিপাক্ষীক ভ্ৰমণ বিনিময় আৰু দ্বিপাক্ষীক প্ৰতিষ্ঠানিক নিয়মিত বৈঠক সমুহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে আৰু নিৰাপত্তা,প্ৰতিৰক্ষা বাণিজ্য ,বিজ্ঞান আৰু প্ৰযুক্তী আৰু শিক্ষাসহ গুৰুত্বপূৰ্ণ সহযোগিতাৰ ক্ষেত্ৰসমুহত অগ্ৰগতি  লাভ কৰিছে ।ভাৰত আৰু থাইলেণ্ডৰ মাজত ব্যাপক আৰ্থিক সম্বন্ধ আছে আৰু ক্ৰমবৰ্দ্ধমান দ্বিপাক্ষীক বাণিজ্যৰ বৈচিত্ৰপূৰ্ণ বিষয়সমুহ আৰু বিনিয়োগ দুয়োদেশৰ আৰ্থিক বিকাশ প্ৰস্তুতাৰ পৰিচায়ক ।জনসাধাৰনৰ সৈতে জনসাধাৰনৰ নিবিৰ সম্পৰ্ক ভাৰত-থাইলেণ্ডৰ প্ৰাণস্বৰূপ ।২০১৪ চনত দহলাখৰ অধিক ভাৰতীয় পৰ্য্যটকে থাইলেণ্ড ভ্ৰমণ কৰিছে আৰু এক লাখ থাই পৰ্য্যটক ভাৰত ভ্ৰমণলৈ আহিছে ।

নতুন দিল্লী

২৭ জুন ২০১৫